## ৭.৫ : জাতীয় আয়ৰ ধাৰণা (Concept of National Income) :

জাতীয় আয়ৰ ধাৰণাটোৰ পৰিসৰ বিস্তৃত আৰু বহুধা বিভক্ত। ইয়াক এটা দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে জাতীয় আয়ৰ পূৰ্ণাংগ আৰু প্ৰকৃত ছবি পোৱা নাযায়। ওপৰত আলোচনা কৰা আয়ৰ চক্ৰীয় প্ৰবাহৰ পৰা এইটো স্পষ্ট যে আয়ৰ চক্ৰীয় প্ৰবাহত তিনিটা স্তৰ দেখা যায়—

(১) উৎপাদন বা মূল্য সংযোজনৰ স্তৰ।

(২) মজুৰি, খাজনা, সূদ আৰু লাভ হিচাপে আয়ৰ বিতৰণৰ স্তৰ।

(৩) সামগ্ৰী আৰু সেৱাকাৰ্যৰ ব্যয় হিচাপে আয়ৰ নিষ্পত্তিকৰণ স্তৰ।

Scanned with CamScanner

এই তিনিটা স্তৰৰ ওপৰত ভিত্তি কৰি জাতীয় আয়ৰ ধাৰণাটোকো তিনিটা দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰা যায়। যিহেতু প্ৰথম স্তৰৰ উৎপাদন বা মূল্য সংযোজন দ্বিতীয় স্তৰত উপাদানৰ আয় আৰু দ্বিতীয় স্তৰৰ আয় তৃতীয় স্তৰত পৰিয়ালৰ সামগ্ৰী আৰু সেৱা কাৰ্যত হোৱা ব্যয়লৈ পৰিবৰ্তিত হয় আৰু সেইবাবে জাতীয় আয়ক তিনি ধৰণে ব্যাখ্যা কৰা যায়—

(১) **উৎপাদন বা মূল্য সংযোজন হিচাবে জাতীয় আয় ঃ** এক নিৰ্দিষ্ট সময়ছোৱাৰ ভিতৰত এখন অৰ্থনীতিত উৎপাদিত চূড়ান্ত সামগ্ৰী আৰু সেৱা কাৰ্যৰ মুঠ বজাৰ মূল্যকে সেইখন অৰ্থনীতিৰ সেই সময়ছোৱাৰ জাতীয় আয় বোলা হয় অথবা এক নিৰ্দিষ্ট সময়ছোৱাতে এখন অৰ্থনীতিৰ সকলো উৎপাদন গোটৰ মুঠ মূল্য সংযোজনকে সেইখন অৰ্থনীতিৰ সেই সময়ছোৱাৰ জাতীয় আয় বোলা হয়।

(২) **উপাদানৰ আয়ৰ হিচাপত জাতীয় আয় ঃ** এক নিৰ্দিষ্ট সময়ছোৱাত এখন দেশৰ স্বাভাৱিক বাসিন্দাসকলে উপাদান সেৱা আগবঢ়োৱাৰ বাবে উপাৰ্জন কৰা উপাদানৰ আয়ৰ মুঠ মূল্যকে সেইখন দেশৰ নিৰ্দিষ্ট সময়ছোৱাৰ জাতীয় আয় বোলা হয়। অৰ্থাৎ ভূমি, শ্ৰম, মূলধন আৰু সংগঠনৰ উপাদান সেৱা আগবঢ়োৱাৰ বাবে এখন দেশৰ স্বাভাৱিক বাসিন্দাসকলে এক নিৰ্দিষ্ট সময়ৰ ভিতৰত খাজনা, মজুৰি, সুদ, লাভ হিচাপে কৰা পাৰিশ্ৰমিকৰ মুঠ মূল্যই হ'ল দেশখনৰ সেই সময়ছোৱাৰ জাতীয় আয়।

(৩) **আয়ৰ ব্যয়ৰ হিচাপত জাতীয় আয় ঃ** এক নিৰ্দিষ্ট সময়ত এখন অৰ্থনীতিত চূড়ান্ত সামগ্ৰী আৰু সেৱাকাৰ্য ক্ৰয়ত হোৱা মুঠ ব্যয়ক অৰ্থনীতিখনৰ সেই সময়ছোৱাৰ জাতীয় আয় বোলে।

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় জাতীয় আয়—

(ক) এক নিৰ্দিষ্ট সময়ছোৱাৰ (যেনে এটা বিত্তীয় বছৰ)ৰ ভিতৰত হোৱা আয়।

(খ) এখন নিৰ্দিষ্ট দেশ বা অৰ্থনীতিৰ আয়।

(গ) দেশ এখনৰ স্বাভাৱিক বাসিন্দাই কৰা আয়।

(ঘ) মুদ্ৰাৰ হিচাপত জোখা আয়।

## ৭.৬ ঃ জাতীয় আয়ৰ সৈতে সম্পৰ্কিত ধাৰণাসমূহ (Related Concepts of National Income) ঃ

জাতীয় আয়ৰ সৈতে জড়িত হৈ থকা বিভিন্ন ধাৰণা তলত বিতংভাৱে আলোচনা কৰা হ'ল—

১। **মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product, GDP) ঃ** এটা নিৰ্দিষ্ট বছৰত এখন দেশৰ পৰিসীমাৰ ভিতৰত উৎপাদিত চূড়ান্ত সামগ্ৰী আৰু

Scanned with CamScanner

সেৱা কাৰ্যৰ মুঠ বজাৰ মূল্যকে মুঠ ঘৰুৱা উৎপাদন (GDP) বোলা হয়। মুঠ ঘৰুৱা উৎপাদনত দেশৰ ভিতৰত বসবাস কৰা স্বদেশী আৰু বিদেশী, দুয়োবিধৰ উৎপাদনকাৰীয়ে উৎপাদন কৰা চূড়ান্ত সামগ্ৰী আৰু সেৱা কাৰ্য অন্তৰ্ভূক্ত কৰা হয়। কিন্তু সেই দেশৰ নাগৰিকে বিদেশত কৰা আয় মুঠ ঘৰুৱা উৎপাদন বা GDP ত অন্তৰ্ভূক্ত কৰা নহয়। মুঠ ঘৰুৱা উৎপাদন দুটা অৰ্থত প্ৰকাশ কৰা হয়—

(ক) **উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদন (Gross domestic produt at factor cost, $GDP_{FC}$)** ঃ উৎপাদন কাৰ্য্যত ব্যৱহৃত উপাদানসমূহৰ পাৰিশ্ৰমিকৰ ভিত্তিত মুঠ ঘৰুৱা উৎপাদন প্ৰকাশ কৰিব পাৰি। এটা নিৰ্দিষ্ট বছৰত দেশ এখনৰ ভিতৰত স্থায়ী মুলধনৰ সৈতে ব্যৱহৃত উৎপাদনৰ উপাদানসমূহৰ মুঠ আয়কে উপাদান মূল্যত মুঠ ঘৰুৱা উৎপাদন বা $GDP_{FC}$ বোলা হয়। উপাদান মূল্যত মুঠ ঘৰুৱা উৎপাদনত অন্তৰ্ভূক্ত উপাদানৰ আয় সমূহ হ'ল—

(i) শ্ৰমিকৰ মজুৰি, দৰমহা আৰু বানচ।

(ii) মূলধন ব্যৱহাৰৰ বাবে লাভ কৰা সুদ।

(iii) ঔদ্যোগিক, ব্যৱসায়িক আৰু ব্যক্তিগত ভূমি আৰু গৃহ আদিৰ বাবে লাভ কৰা খাজনা।

(iv) সংগঠকৰ স্বাভাৱিক লাভ।

উল্লেখযোগ্য যে প্ৰতিদান শূন্য হস্তান্তৰিত আয়, যেনে চৰকাৰ বা ব্যক্তিগত নিয়োগকাৰীয়ে শ্ৰমিক, বিষয়া, কৰ্মচাৰীলৈ আগবঢ়োৱা সাহায্য, অনুদান পেন্সন আদি $GDP_{FC}$ বা উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদনত অন্তৰ্ভূক্ত নহয়।

(খ) **বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন (Gross domestic product at market price, $GDP_{MP}$)** ঃ বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন হ'ল এটা নিৰ্দিষ্ট বছৰত দেশৰ ভিতৰত উৎপাদিত সকলো চূড়ান্ত সামগ্ৰী আৰু সেৱা কাৰ্যৰ বজাৰ মূল্যৰ যোগফল। বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন বা $GDP_{MP}$ ত স্বদেশী আৰু বিদেশী উৎপাদনকাৰীয়ে দেশৰ ভিতৰত উৎপাদন কৰা সকলো চূড়ান্ত সামগ্ৰী আৰু সেৱাকাৰ্যৰ বজাৰ মূল্যৰ লগতে স্থিৰ উৎপাদনৰ উপাদানৰ অৱক্ষয় ব্যয় (Depreciation cost) অন্তৰ্ভূক্ত হৈ থাকে। গতিকে এটা নিৰ্দিষ্ট বছৰত যদি দেশত Q পৰিমাণৰ সামগ্ৰী উৎপাদন হয় আৰু সামগ্ৰীটোৰ বজাৰ মূল্য যদি P হয়, তেন্তে বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন অৰ্থাৎ $GDP_{MP} = P \times Q$ হ'ব। বজাৰ মূল্য নিৰ্দ্ধাৰণ কৰোতে সামগ্ৰীৰ উৎপাদন ব্যয়ৰ সৈতে শুদ্ধ পৰোক্ষ

Scanned with CamScanner

কৰ (পৰোক্ষ কৰ— ৰাজসাহায্য) যোগ দিয়া হয়।

(২) **শুদ্ধ ঘৰুৱা উৎপাদন (Net Domestic Product, NDP) ঃ** শুদ্ধ ঘৰুৱা উৎপাদন (NDP) হ'ল মুঠ ঘৰুৱা উৎপাদন (GDP) আৰু অৱক্ষয় মূল্যৰ মাজৰ পাৰ্থক্য অৰ্থাৎ,

NDP = GDP – অৱক্ষয় মূল্য

এটা নিৰ্দিষ্ট বছৰত দেশৰ ভিতৰত উৎপাদন হোৱা সকলো চূড়ান্ত সামগ্ৰী আৰু সেৱা কাৰ্যৰ বজাৰ মূল্যৰ পৰা উৎপাদন প্ৰক্ৰিয়াত ব্যৱহৃত মুলধন জাত সামগ্ৰী বা স্থিৰ উপাদান যেনে— যন্ত্ৰপাতি আদিৰ ক্ষয়-ক্ষতিৰ মূল্য বাদ দি পোৱা ঘৰুৱা উৎপাদনৰ পৰিমাণকে শুদ্ধ ঘৰুৱা উৎপাদন (NDP) বোলা হয়। শুদ্ধ ঘৰুৱা উৎপাদন দুটা অৰ্থত প্ৰকাশ কৰা হয়—

(i) **উপাদান ব্যয়ত শুদ্ধ ঘৰুৱা উৎপাদন (Net Domestic Product at Factor Cost; $NDP_{FC}$) ঃ** উপাদান ব্যয়ত শুদ্ধ ঘৰুৱা উৎপাদন বা শুদ্ধ ঘৰুৱা উৎপাদন হ'ল এটা নিৰ্দিষ্ট বছৰত দেশৰ ভিতৰত উৎপাদনৰ উপাদান সমূহৰ আয়, যেনে— মুলধনৰ সুদ, ভূমিৰ খাজনা, শ্ৰমিকৰ মজুৰি, দৰমহা আৰু বানচ, সংগঠকৰ লাভ আদিৰ যোগফল আৰু উৎপাদন কাৰ্যত ব্যৱহৃত মূলধনজাত সামগ্ৰী, যেনে— যন্ত্ৰপাতি আদিৰ অৱক্ষয় মূল্যৰ (DC) পাৰ্থক্য। অৰ্থাৎ,

$$NDP_{FC} = GDP_{FC} - DC$$

(ii) **বজাৰ মূল্যত শুদ্ধ ঘৰুৱা উৎপাদন (Net Domestic Product at Market Price; $NDP_{MP}$) ঃ** এটা নিৰ্দিষ্ট বছৰত দেশৰ ভিতৰত উৎপাদিত সকলো চূড়ান্ত সামগ্ৰী আৰু সেৱাকাৰ্যৰ বজাৰ মূল্য আৰু মূলধনজাত সামগ্ৰীৰ অৱক্ষয় মূল্যৰ পাৰ্থক্যকে বজাৰ মূল্যত শুদ্ধ ঘৰুৱা উৎপাদন বোলে। অৰ্থাৎ,

$$NDP_{MP} = GDP_{MP} - DC$$

(৩) **মুঠ জাতীয় উৎপাদন (Gross National Product; GNP) ঃ** এটা নিৰ্দিষ্ট বছৰত এখন দেশত উৎপাদিত সকলো সামগ্ৰী আৰু সেৱাকাৰ্যৰ মুঠ মুদ্ৰা মূল্যকে মুঠ জাতীয় উৎপাদন (GNP) বোলা হয়। মুঠ জাতীয় উৎপাদনত দেশখনৰ পৰিসীমাৰ ভিতৰত নিৰ্দিষ্ট বছৰৰ বা সময়ছোৱাৰ ভিতৰত উৎপাদন হোৱা সকলো চূড়ান্ত সামগ্ৰী আৰু সেৱাকাৰ্যৰ মুদ্ৰা মূল্যৰ লগতে শুদ্ধ বৈদেশিক আয় (আমদানি-ৰপ্তানি) অন্তৰ্ভুক্ত হৈ থাকে। অৰ্থাৎ মুঠ জাতীয় উৎপাদন (GNP) = মুঠ ঘৰুৱা উৎপাদন (GDP) + শুদ্ধ বৈদেশিক আয়। শুদ্ধ বৈদেশিক আয় হ'ল বিদেশী নাগৰিকে দেশৰ ভিতৰত কৰা উৎপাদন আৰু দেশৰ নাগৰিকে বিদেশত

কৰা উৎপাদনৰ মাজৰ পাৰ্থক্য।

মুঠ জাতীয় উৎপাদনো দুই ধৰণে ব্যাখ্যা কৰা হয়।

(a) **উপাদান ব্যয়ত মুঠ জাতীয় উৎপাদন (Gross National Product at Factor Cost; $GNP_{FC}$)** ঃ দেশৰ স্বাভাৱিক বাসিন্দাই এটা নিৰ্দিষ্ট বছৰত উপাৰ্জন কৰা উপাদানৰ আয়ৰ মুঠ মূল্যক উপাদান ব্যয়ত মুঠ জাতীয় উৎপাদন বোলা হয়। অৰ্থাৎ—

$GNP_{FC} = GDP_{FC} + NFIA$ য'ত NIFA হ'ল বিদেশৰ পৰা অহা শুদ্ধ উপাদানৰ আয়।

(b) **বজাৰ মূল্যত মুঠ জাতীয় উৎপাদন (Gross National Product at Market Price, $GNP_{MP}$)** ঃ বজাৰ মূল্যত মুঠ জাতীয় উৎপাদন ($GNP_{MP}$) হ'ল শুদ্ধ বৈদেশিক আয় আৰু দেশৰ পৰিসীমাৰ ভিতৰত উৎপাদিত চূড়ান্ত সামগ্ৰী আৰু সেৱাকাৰ্যৰ মুঠ বজাৰ মূল্যৰ যোগফল। অৰ্থাৎ—

$$GNP_{MP} = GDP_{MP} + NFIA$$

শুদ্ধ বৈদেশিক আয় ধনাত্মক বা ঋণাত্মক হ'ব পাৰে। যদি দেশৰ নাগৰিকে বিদেশৰ পৰা লাভ কৰা আয়, বিদেশীয়ে দেশৰ ভিতৰত উপাৰ্জন কৰা আয়তকৈ বেছি হয়, তেতিয়া শুদ্ধ বৈদেশিক আয় ধনাত্মক হয়। আনহাতে এই লাভ কম হ'লে শুদ্ধ বৈদেশিক আয় ঋণাত্মক হয়। যদি শুদ্ধ বৈদেশিক আয় ধনাত্মক হয় তেতিয়া মুঠ জাতীয় উৎপাদন মুঠ ঘৰুৱা উৎপাদনতকৈ অধিক হয়; আনহাতে শুদ্ধ বৈদেশিক আয় ঋণাত্মক হ'লে মুঠ জাতীয় উৎপাদন মুঠ ঘৰুৱা উৎপাদনতকৈ কম হয় আৰু শুদ্ধ বৈদেশিক আয়ৰ পৰিমাণ শূন্য হ'লে মুঠ জাতীয় উৎপাদন আৰু মুঠ ঘৰুৱা উৎপাদন সমান হয়।

(৪) **শুদ্ধ জাতীয় উৎপাদন (Net National Product; NNP)** ঃ মুঠ জাতীয় উৎপাদনৰ পৰা যন্ত্ৰপাতি আদি স্থিৰ মুলধনৰ অৱক্ষয় মূল্য বাদ দি পোৱা উৎপাদনৰ মুঠ মুদ্ৰা মূল্যকে শুদ্ধ জাতীয় উৎপাদন বোলা হয়। অৰ্থাৎ,

শুদ্ধ জাতীয় উৎপাদন (NNP) = মুঠ জাতীয় উৎপাদন (GNP) − অৱক্ষয় মূল্য (DC)

শুদ্ধ জাতীয় উৎপাদনকো দুই ধৰণে ব্যাখ্যা কৰা হয়—

(a) **উপাদান ব্যয়ত শুদ্ধ জাতীয় উৎপাদন বা জাতীয় আয় (Net National Product at Factor Cost or National Income)** ঃ এটা নিৰ্দিষ্ট বছৰত এখন দেশৰ স্বাভাৱিক বাসিন্দাই

উপাৰ্জন কৰা উপাদানৰ আয় যেনে সুদ, মজুৰি, খাজনা, লাভ আদিৰ মুঠ মূল্যকে উপাদান ব্যয়ত শুদ্ধ জাতীয় উৎপাদন ($NNP_{FC}$) বোলা হয়। সাংকেতিকভাৱে,

$$NNP_{FC} = GNP_{FC} - DC$$

বা

$$NNP_{FC} = NDP_{FC} + NFIA$$

(b) **বজাৰ মূল্যত শুদ্ধ জাতীয় উৎপাদন (Net National Product at Market Price; $NNP_{MP}$) ঃ** বজাৰ মূল্যত শুদ্ধ জাতীয় উৎপাদন ($NNP_{MP}$) হ'ল এটা নিৰ্দিষ্ট বছৰত এখন অৰ্থনীতিত উৎপাদিত চূড়ান্ত সামগ্ৰী আৰু সেৱাকাৰ্যৰ বজাৰ মূল্যৰ পৰা স্থিৰ মূলধনৰ অৱক্ষয় মূল্য বাদ দি আৰু শুদ্ধ বৈদেশিক আয় যোগ দি পোৱা মুঠ মূল্য। অৰ্থাৎ,

$$NNP_{MP} = GNP_{MP} - DC$$

বা

$$NNP_{MP} = GDP_{MP} - DC + NFIA$$

মনকৰিবলগীয়া যে বজাৰ মূল্যত শুদ্ধ জাতীয় উৎপাদন ($NNP_{MP}$) দুই ধৰণে ব্যাখ্যা কৰিব পাৰি—

(ক) চলিত মূল্যৰ (Current Price) ভিত্তিত আৰু

(খ) স্থিৰ মূল্যৰ (Constant Price) ভিত্তত।

চলিত মূল্যস্তৰৰ ভিত্তিত মুঠ জাতীয় উৎপাদনৰ মূল্য নিৰ্দ্ধাৰণ কৰি তাৰ পৰি ক্ষয়-ক্ষতিৰ ব্যয় বাদ দিলে চলিত মূল্যত শুদ্ধ জাতীয় উৎপাদন পাব পাৰি। আনহাতে স্থিৰ মূল্যৰ ভিত্তিত শুদ্ধ জাতীয় উৎপাদন পোনপটীয়াকৈ নিৰ্দ্ধাৰণ কৰিব নোৱাৰি। যিহেতু বজাৰত সামগ্ৰীসমূহৰ দৰ স্থিৰে নাথাকে, সেয়েহে জাতীয় উৎপাদনৰ প্ৰকৃত পৰিমাণ নিৰ্দ্ধাৰণ কৰিবলৈ দৰ পৰিৱৰ্তনসমূহৰ এক সংকোচক (Deflator) ব্যৱহাৰ কৰা হয়। এই সংকোচকটো হ'ল—

$$\text{স্থিৰ মূল্য ভিত্তিত শুদ্ধ জাতীয় উৎপাদন } (NNP_{MP} \text{ at Constant Price}) = \frac{\text{চলিত মূল্যৰ শুদ্ধ জাতীয় উৎপাদন}}{\text{চলিত বছৰৰ সূচকাংক}} \times \text{ভিত্তি বছৰৰ সূচকাংক}$$

(সূচকাংকৰ সবিশেষ প্ৰথম বাৰ্ষিকত আলোচনা কৰা হৈছে।)

(৫) **জাতীয় ব্যয়যোগ্য আয় (National Disposable Income) ঃ** এখন দেশৰ ব্যয়ৰ বাবে উপলব্ধ শুদ্ধ আয়ৰ বজাৰ মূল্যই ব্যয়যোগ্য আয়। জাতীয়

ব্যয়যোগ্য আয় হ'ল উপাদান মূল্যত শুদ্ধ জাতীয় উৎপাদন, শুদ্ধ পৰোক্ষ কৰ (Net Indirect Tax; NIT) আৰু শুদ্ধ চলিত বৈদেশিক হস্তান্তৰ (Net Current Transfers from Rest of World, NCTA) ৰ যোগফল। অৰ্থাৎ, NDP = $NNP_{FC}$ + NIT + NCTA. গতিকে এটা নিৰ্দিষ্ট বছৰত দেশৰ বাসিন্দাৰ উপভোগ বা সঞ্চয়ৰ বাবে উপলব্ধ সকলো উৎসৰ পৰা আৰ্জিত আয় আৰু বৈদেশিক হস্তান্তৰিত দেনা-পাওনাৰ যোগফলকেই জাতীয় ব্যয়যোগ্য আয় বোলা হয়। মুঠ জাতীয় ব্যয়যোগ্য আয়ত চলিত স্থানান্তিৰত ব্যয় (Current Replacement Cost) অন্তৰ্ভূক্ত হৈ থাকে; আনহাতে শুদ্ধ জাতীয় ব্যয়যোগ্য আয়ত চলিত স্থানান্তৰিত ব্যয় অন্তৰ্ভূক্ত হৈ নাথাকে। গতিকে,

শুদ্ধ জাতীয় ব্যয়যোগ্য আয় (NNDI) = মুঠ জাতীয় ব্যয়যোগ্য আয় (GNDI) – চলিত স্থানান্তৰিত ব্যয় (CRC)।

**(৬) ব্যক্তিগত খণ্ডৰ আয় (Private Income) ঃ** নিগমৰ স্থগিত আয় (Retained Income of Corporation) আৰু উৎপাদনশীল বা অন্য সকলো উৎসৰ পৰা ব্যক্তিগত খণ্ডই আহৰণ কৰা আয়েই হ'ল ব্যক্তিগত খণ্ডৰ আয়। ব্যক্তিগত আয় হ'ল ব্যক্তিগত খণ্ডৰ সকলো উৎসৰ পৰা অহা মুঠ উপাদানৰ আয়, বৈদেশিক খণ্ডৰ শুদ্ধ উপাদানৰ আয় আৰু চৰকাৰৰ পৰা অহা চলিত হস্তান্তৰৰ যোগফল।

ব্যক্তিগত খণ্ডৰ আয় = ব্যক্তিগত খণ্ডই শুদ্ধ ঘৰুৱা উৎপাদনৰ পৰা পোৱা উপাদানৰ আয় + বৈদেশিক শুদ্ধ উপাদানৰ আয় + জাতীয় ঋণৰ সুদ + চৰকাৰৰ চলিত হস্তান্তৰ + বৈদেশিক চলিত হস্তান্তৰ।

ব্যক্তিগত খণ্ডৰ আয়ত উপাদানৰ আয় আৰু হস্তান্তৰিত আয় দুয়োবিধ আয় অন্তৰ্ভূক্ত হৈ থাকে।

ব্যক্তিগত খণ্ডৰ আয় = জাতীয় আয় + চৰকাৰৰ পৰা অৰ্জন কৰা চলিত হস্তান্তৰিত আয় + জাতীয় ঋণৰ সুদ + বৈদেশিক শুদ্ধ চলিত হস্তান্তৰিত আয় - চৰকাৰী বিভাগীয় প্ৰতিষ্ঠানৰ সম্পদ আৰু প্ৰতিষ্ঠানিক আয় – অবিভাগীয় অনুদানকৃত (undertaking) প্ৰতিষ্ঠানৰ সঞ্চয়।

**(৭) ব্যক্তিগত আয় (Personal Income) ঃ** এজন ব্যক্তিয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত বিভিন্ন উৎসৰ পৰা লাভ কৰা মুঠ চলিত উপাৰ্জনকে ব্যক্তিগত আয় বোলা হয়। ব্যক্তিগত আয় হ'ল এজন ব্যক্তি বা পৰিয়ালে সকলো উৎসৰ পৰা লাভ কৰা উপাদান আয় আৰু চলিত হস্তান্তৰৰ যোগফল। উল্লেখযোগ্য যে, লাভৰ কিছু অংশ যুটীয়া অংশীদাৰী প্ৰতিষ্ঠানে বিতৰণ নকৰাকৈ ৰাখে আৰু কিছু অংশ কৰ হিচাপে চৰকাৰক দিবলগীয়া হয়। এই কৰ আৰু লাভ ব্যক্তিগত আয়ৰ অন্তৰ্ভূক্ত নহয়। গতিকে,

Scanned with CamScanner

ব্যক্তিগত আয় = শুদ্ধ জাতীয় আয় + চলিত হস্তান্তৰিত দেনা-পাওনা – যুটীয়া ব্যৱসায়ৰ বিতৰণ নকৰা লাভ – যুটীয়া ব্যৱসায়ৰ কৰ – সামাজিক সুৰক্ষা বৰঙণি।

**(৮) ব্যক্তিগত ব্যয়যোগ্য আয় (Personal Disposable Income) ঃ** আয় আৰু সম্পদৰ ওপৰত চৰকাৰে আৰোপ কৰা কৰ আদায় দিয়াৰ পিছত ব্যক্তি বা পৰিয়ালৰ হাতত থকা আয়ক ব্যক্তিগত ব্যয়যোগ্য আয় (PDI) বোলা হয়। ব্যক্তি বা পৰিয়ালে উপাৰ্জন কৰা আয়ৰ এটা অংশ চৰকাৰক কৰ হিচাপে পৰিশোধ কৰিব লাগে। অৰ্থাৎ ব্যক্তি বা পৰিয়ালে উপাৰ্জন কৰা সকলো আয় ভোগ বা সঞ্চয়ত ব্যৱহাৰ কৰিব নোৱাৰে। মুঠ আয়ৰ পৰা কৰ পৰিশোধ কৰাৰ পিছত যিখিনি আয় ব্যক্তি বা পৰিয়ালৰ হাতত থাকে আৰু যিখিনি তেওঁলোকে নিজৰ ইচ্ছা অনুসৰি উপভোগত ব্যয় কৰিব পাৰে বা সঞ্চয় কৰিব পাৰে, তেনে আয়ক ব্যক্তিগত ব্যয়যোগ্য আয় বোলা হয়।

ব্যক্তিগত ব্যয়যোগ্য আয় = ব্যক্তিগত আয় – প্ৰত্যক্ষ কৰ – মাচুল, জৰিমনা ইত্যাদি।

আনহাতে ব্যক্তিগত ব্যয়যোগ্য আয় = উপভোগ্য ব্যয় + সঞ্চয়।

**(৯) জনমূৰি আয় (Per Capita Income) ঃ** এটা নিৰ্দিষ্ট বছৰত দেশ এখনৰ নাগৰিকৰ গড় হিচাপত হোৱা আয়ক জনমূৰি আয় বোলা হয়। দেশ এখনৰ এটা নিৰ্দিষ্ট বছৰত জাতীয় আয়ক দেশখনৰ সেই বছৰৰ মুঠ জনসংখ্যাৰে হৰণ কৰিলে জনমূৰি আয় পোৱা যায়। অৰ্থাৎ

$$\text{জনমূৰি আয়} = \frac{\text{জাতীয় আয়}}{\text{মুঠ জনসংখ্যা}}$$

জনমূৰি আয়ে দেশৰ প্ৰতিজন বাসিন্দাৰ আয়ক বুজায়।

৭.৭ ঃ

Scanned with CamScanner